# লালু প্ৰসাদ ওৰফে লালু প্ৰসাদ যাদৱ

# বনাম

# বিহাৰ ৰাজ্য ,চি বি আই (এ এইছ ডি) পাটনাৰ জৰিয়তে

৬ ডিচেম্বৰ, ২০০৬

[ড° অৰিজিত পাছায়ত আৰু এছ. এইছ. কাপাড়িয়া, ন্যায়াধীশ]

দুৰ্নীতি প্ৰতিৰোধ আইন, ১৯৮৮ ৰ ধাৰা ১৩ (১) (ই) লগতে আনুষংগিক ধাৰা নং১৩(২) আৰু ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩ৰ ধাৰা নং ১৯৭,২২৭,২২৮,২৩৯,২৪০আৰু ২৪৫:

লোকসেৱকৰ বিৰুদ্ধে মোকৰ্দমা-যেতিয়া অপব্যৱহাৰৰ অভিযোগ থকা একেটা পদত অধিষ্ঠিত হৈ নাথাকে-মোকৰ্দমা কৰাৰ বাবে অনুমোদন-ইয়াৰ আৱশ্যকতা-ৰায়দানঃ অনুমোদন নথকা আৰু ক্ষেত্ৰাধিকাৰ নথকা বুলি উপস্থাপন কৰা বিবৃতি নাকচ কৰাৰ আজ্ঞাটো এক যুক্তিপূৰ্ণ নিৰ্দেশনা জাৰিৰে সমাপন কৰাৰ প্ৰয়োজন-আইনগতভাৱে ৰাজ্যপালৰ অনুমোদনত কোনো শুদ্ধতা নাই-পূৰ্বতে দিয়া অনুমোদনৰ কোনো বৈধতা নাই-ইয়াক আইনৰ বাদ পৰা বিষয় হিচাপে গণ্য কৰিব নোৱাৰি- অভিযোগ বৰ্ণনৰ সময়ত কাৰণ লিপিবদ্ধকৰণৰ সন্দৰ্ভত উত্থাপিত প্ৰশ্নৰ গোচৰবোৰ অভিযুক্তক খালাচ দিয়া অভিমতৰ গোচৰবোৰতকৈ পৃথক হয়-ক্ষেত্ৰাধিকাৰৰ সৈতে সম্পৰ্কিত প্ৰশ্নৰ ক্ষেত্ৰত, ক্ষেত্ৰাধিকাৰৰ সৈতে মোকাবিলা কৰা কাৰণসমূহ লিপিবদ্ধ কৰাটো প্ৰয়োজনীয়-গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ দিশৰ পৰা আপীলবোৰ যোগ্যতাবিহীন-সেয়েহে খাৰিজ কৰা হ'ল।

আইনৰ ব্যাখ্যাঃ

গঠনৰ নীতি-আইন-আইনৰ বাদ পৰা বিষয় - আলোচনা কৰা হৈছে। দুৰ্নীতিৰ গোচৰ-অভিযোগকৰণ-অভিযোগকৰণৰ পূৰ্বে অনুমোদনৰ প্ৰয়োজনীয়তা- ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৯৭ /দুৰ্নীতি নিবাৰণ আইনৰ ধাৰা ১৯ৰ প্ৰযোজ্যতা-ইয়াৰ মাজৰ পাৰ্থক্যসমূহ- আলোচনা কৰা হৈছে।

এই আপীলসমূহত এই ন্যায়ালয়ে নিৰ্ধাৰণ কৰিবৰ বাবে এক মৌলিক প্ৰশ্ন উত্থাপন কৰা হৈছিল। দুৰ্নীতি নিবাৰণ আইন, ১৯৮৮ ৰ ধাৰা ১৩(১)(ই)আৰু আনুষংগিক ধাৰা ১৩(২) ৰ অধীনৰ দণ্ডনীয় অপৰাধৰ বাবে অভিযুক্ত-আপীলকাৰীৰ বিৰুদ্ধে গোচৰ চলোৱাৰ অনুমতিৰ বৈধতাৰ সৈতে এই মৌলিক প্ৰশ্নটো সম্পৰ্কিত। আইনখনৰ ধাৰা ১৯(১) (বি) আৰু ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩ৰ ধাৰা ১৯৭ উভয়ৰে অধীনত অনুমোদন প্ৰদান কৰা হয়।
আপীলকাৰীসকলে দাবী কৰিছিল যে এজন জনসেৱকে একে পদত অধিষ্ঠিত হৈ নাথাকি আন কোনো পদত অধিষ্ঠিত হৈ থাকিলেও অনুমোদনৰ প্ৰয়োজন লাগে এইবুলিও যুক্তি দৰ্শোৱা হৈছে যে আইন আয়োগে ইয়াৰ ৪১তম প্ৰতিবেদনৰ পৰামৰ্শসমূহৰ অন্তৰ্গত সংহিতাৰ ১৯৭ নং ধাৰাৰ অধীনৰ অনুমোদন এজন অৱসৰপ্ৰাপ্ত জনসেৱকলৈও সম্প্ৰসাৰণ কৰাৰ প্ৰয়োজনবোধ কৰিছিল। এই অনুমোদন দুৰ্নীতি প্ৰতিৰোধ আইন, ১৯৪৭ (সংক্ষেপে '১৯৪৭ চনৰ আইন') ৰ ধাৰা ১৯ (১) ৰ সৈতে সম্পৰ্কিত ধাৰা ৬ (১) ৰ অধীনতো সম্প্ৰসাৰিত কৰা উচিত আছিল। তলৰ আদালতসমূহে ভুলভাৱে এই সিদ্ধান্তত উপনীত হৈছিল যে খালাচ আৰু অভিযোগ বৰ্ণনৰ ক্ষেত্ৰত কোনো কাৰণ লিপিবদ্ধ কৰাৰ প্ৰয়োজন নাই; আৰু ১৯৪৭ চনৰ আইনখনৰ ৬ নং ধাৰাৰ উপধাৰা (২)ক অন্তৰ্ভুক্ত কৰাৰ আধাৰ গঠন কৰা ড° বক্সী টেকচান্দ সমিতিৰ প্ৰতিবেদনে এয়া সন্দেহাতীত বুলি স্বীকাৰ কৰিছে আৰু ই জনসেৱকে দুটা পদবীত অধিষ্ঠিত থকাৰ কথা উল্লেখ কৰিছে ,তাৰে এটাত আলোচ্য অপৰাধ সংঘটিত কৰাৰ সময়ত আৰু আনটোত ন্যায় সোধনৰ সময়ত। আপীলসমূহ খাৰিজ কৰি ন্যায়ালয়ে এনেদৰে ৰায়দান কৰেঃ

(১.১) আৰ. এছ. নায়ক গোচৰটোত সিদ্ধান্ত লোৱাৰ প্ৰয়োজন হোৱা তিনিটা প্ৰশ্নৰ সৈতে সম্পৰ্কিত নোহোৱা বিষয়বোৰৰ ক্ষেত্ৰত আৰ. এছ.নায়ক গোচৰটোৰ সিদ্ধান্তক এক বাধ্যতামূলক নজিৰ হিচাপে গণ্য কৰিব নোৱাৰি। অনুমোদন আৰু অধিকাৰক্ষেত্ৰৰ অভাৱৰ বিবৃতি নাকচ কৰা নিৰ্দেশটো এক স্পষ্ট আজ্ঞাৰে জাৰি কৰাটো প্ৰয়োজনীয়। ৰাজ্যপালৰ নিৰ্দেশত চৰকাৰৰ সচিবৰ অনুমোদন আজ্ঞাত স্বাক্ষৰ কৰাৰ কোনো অধিকাৰ নাছিল। সেয়েহে, ৰাজ্যপালৰ তথাকথিত অনুমোদনৰ কোনো আইনগত শুদ্ধতা নাই। অভিযোগ কৰা সামঞ্জস্যহীন সম্পত্তিবোৰ আপীলকাৰীৰ পত্নী মুখ্যমন্ত্ৰী হোৱাৰ সময়ৰ সৈতে সম্পৰ্কিত আছিল বুলি দেখুৱাবলৈ কোনো তথ্য নাই। সেই সময়ত তেওঁ হয়তো এম. এল. চি. বা এম. এল. এ. পদতো অধিষ্ঠিত আছিল আৰু সেয়েহে, প্ৰদত্ত অনুমোদনৰ কোনো বৈধতা নাই। [২৫৫-চি, ডি, আৰু ই]

আৰ.এছ. নায়ক বনাম এ.আৰ.অন্তুলে [১৯৮৪] ২ এছ চি চি ১৮৩ , প্ৰযোজ্য নহয় বুলি ৰায়দান।

(১.২) ৰাজ্যপালৰ দ্বাৰা অনুমোদন প্ৰদান কৰা হৈছিল। আপীলকাৰীৰ পত্নীৰ ক্ষেত্ৰত ফৰিয়াদী পক্ষই পৃথকভাৱে অনুমোদন লাভ কৰা নাছিল কিয়নো প্ৰাসংগিক সময়ছোৱাত তেওঁ কেৱল এগৰাকী গৃহিণী আছিল, জনসেৱক নাছিল। আপীলকাৰীৰ সন্দৰ্ভত দিয়া অনুমোদনত, এইটো স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে তেওঁৰ পত্নীৰ কাৰ্যবোৰ তেওঁৰ স্বামীয়ে ধাৰা ১৩(১)(ই) ৰ অধীনত অপৰাধ সংঘটিত কৰাত সহযোগ আৰু প্ৰৰোচনা কৰাৰ দৰে আছিল আৰু সেয়েহে ভাৰতীয় দণ্ডবিধি আইন, ১৮৬০-ৰ ধাৰা ১০৭ আৰু ১০৯-ৰ অধীনত দণ্ডনীয় অপৰাধ সংঘটিত কৰা বাবে তেওঁৰ ওপৰত গোচৰ চলোৱাৰ উপযুক্ত কাৰণ আছিল। [২৫৫-ই, এফ]

(২.১) অৰ্থ ব্যাখ্যাৰ দুটা নীতি-এটা বাদ পৰা বিষয়ৰ সৈতে সম্পৰ্কিত আৰু আনটো সামগ্ৰিকভাৱে সংশ্লিষ্ট আইনৰ পঠনৰ সৈতে সম্পৰ্কিত যিটো সুপ্ৰতিষ্ঠিত যেন প্ৰতীয়মান হয়। প্ৰথম নীতিৰ অধীনত স্পষ্ট প্ৰয়োজনীয়তাৰ ব্যতিৰেকে ন্যায়ালয়ে বাদ পৰা বিষয় সংযোজন কৰিব নোৱাৰে আৰু যেতিয়া ইয়াৰ কাৰণ সংশ্লিষ্ট আইনৰ

পৰিসীমাত পোৱা যায় তেতিয়া কিন্তু একে সময়তে বাদ পৰা বিষয় ক্ষিপ্ৰতাৰে অনুমান কৰিব নালাগে আৰু সেই উদ্দেশ্যে এখন আইনৰ সকলো অংশ বা ধাৰাক একেলগে ব্যাখ্যা কৰিব লাগিব আৰু ইয়াৰ এটা ধাৰাৰ প্ৰতিটো বাক্যাংশক প্ৰসংগ তথা ইয়াৰ অন্যান্য বাক্যাংশৰ সন্দৰ্ভত ব্যাখ্যা কৰিব লাগিব যাতে নিৰ্দিষ্ট ব্যৱস্থাৰ ব্যাখ্যাই সমগ্ৰ আইনখনক সংগতিপূৰ্ণ আইনত পৰিণত কৰে। এইটো অধিক ফলপ্ৰসূ হ'ব যদিহে এটা নিৰ্দিষ্ট দফাৰ আক্ষৰিক ব্যাখ্যাৰ ফলত স্পষ্টভাৱে অযুক্তিকৰ বা ব্যতিক্ৰমী ফলাফলৰ সূচনা হয় যিটো বিধানমণ্ডলৰ অভিপ্ৰায় নহবও পাৰে।[২৫৬-চি,ডি]

মৌলবী হুছেইন হাজি আব্ৰাহাম ওমৰজী বনাম গুজৰাট চৰকাৰ আৰু অন্যান্য, জে টি (২০০৪) ৬ এছ চি ২২৭, উল্লেখ কৰা হৈছে।

আৰ্টেমিঅ' বনাম প্ৰক'পিঅ', (১৯৬৬) ১ কিউ বি ৮৭৮;লিউক বনাম আই আৰ চি (১৯৬৩) এ চি৫৫৭; ফেণ্টন বনাম হেম্পটন, (১৮৫৮) একাদশ, পি.চি ৩৪৭ আৰু জন্স বনাম স্মাৰ্ট (১ টি.আৰ.৫২) ,উল্লেখ কৰা হৈছে।

(২.২) লিখিত বিধিগত নথিৰ অৰ্থ ব্যাখ্যা কৰাৰ বাবে শ্ৰেষ্ঠ নিয়মটো এয়ে যে শব্দবোৰৰ ব্যাকৰণসিদ্ধ আৰু সাধাৰণ অৰ্থ অনুসৰণ কৰিব লাগিব যদিহে ই বিধিগত নথিৰ অৱশিষ্ট অংশৰ সৈতে কিছু অযৌক্তিকতা বা কিছু বিৰোধিতা বা অসামঞ্জস্যতাৰ সৃষ্টি নকৰে, এনে সৃষ্টিৰ ক্ষেত্ৰত শব্দবোৰৰ ব্যাকৰণসিদ্ধ আৰু সাধাৰণ অৰ্থ সংশোধন কৰিব পাৰি, যাতে সেই অযৌক্তিকতা আৰু অসামঞ্জস্যতা পৰিহাৰ কৰিব পাৰি, কিন্তু ইয়াতকৈ অধিক নহয়। [২৫৭-চি]

গ্ৰে বনাম পিয়াৰছন, (১৮৫৭) ৬ এইছ.এল. কেছ ৬১ আৰু এব্লে বনাম ডেল ১১, চি.বি.৩৭৮ , উল্লেখ কৰা হৈছে।

(৩) আইন আয়োগৰ প্ৰতিবেদন আৰু ড° বক্সী টেকচান্দৰ প্ৰতিবেদনৰ প্ৰভাৱ বিধানমণ্ডলে বিবেচনা কৰা নাই আৰু সেয়েহে এইটো "বাদ পৰা বিষয়ৰ" ৰ এক ক্ষেত্ৰ বুলি প্ৰদান কৰা বিবৃতিটোৰ স্পষ্টভাৱে কোনো গুৰুত্ব নাই। [২৫৭-ই]

কালিচৰণ মহাপাত্ৰ বনাম উৰিষ্যা চৰকাৰ  [১৯৯৮]৬ এছ. চি. চি.৪১১-ত, উল্লেখ কৰা হৈছে।

(৪) ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৯৭ আৰু দুৰ্নীতি নিবাৰণ আইনৰ ১৯ নং ধাৰাই ধাৰণাগতভাৱে ভিন্ন ক্ষেত্ৰত কাম কৰে। আইনখনৰ অধীনত সামৰি লোৱা গোচৰৰ ক্ষেত্ৰত, জনসেৱকসকলৰ সন্দৰ্ভত অনুমোদন স্বয়ংক্ৰিয় প্ৰকৃতিৰ হয় আৰু সেয়েহে তথ্যগত দিশবোৰৰ সামান্য বা কোনো পৰিণাম নাথাকে। ইয়াৰ বিপৰীতে, ফৌজদাৰী কাৰ্যবিধি আইনৰ  ১৯৭ নং ধাৰাৰ সৈতে সম্পৰ্কিত এটা গোচৰত, কৰ্তব্য পালনৰ সৈতে আৰোপিত কাৰ্যৰ কোনো সম্পৰ্ক আছে নে নাই সেয়া বিচাৰি উলিয়াবলৈ গোচৰটোৰ মূল বিষয় আৰু মৌলিক বৈশিষ্ট্যসমূহ বিবেচনা কৰিব লাগিব। আইনখনৰ ১৯ নং ধাৰাৰ ক্ষেত্ৰত এনে স্থিতি নাই। [২৫৮-বি, চি]

শিৱেন্দ্ৰ কুমাৰ বনাম মহাৰাষ্ট্ৰ চৰকাৰ [২০০১]৯ এছ চি চি ৩০৩, উল্লেখ কৰা হৈছে।

(৫.১) অভিযোগ বৰ্ণনৰ সময়ত কাৰণ লিপিবদ্ধ কৰা সম্পৰ্কে উত্থাপিত প্ৰশ্নটো অভিমতৰ গোচৰৰ পৰা পৃথক যাৰ ভিত্তিত অভিযুক্তক খালাচ কৰাৰ নিৰ্দেশ দিয়া হয়। [২৬০-ডি]

বিহাৰ চৰকাৰ বনাম ৰমেশ সিং এ আই আৰ (১৯৭৭) এছ চি ২০১৮  আৰু কান্তি ভদ্ৰা শ্বাহ আৰু অন্যান্য বনাম পশ্চিমবংগ চৰকাৰ [২০০০]১ এছ চি চি ৭২২-ত , উল্লেখ কৰা হৈছে।

(৫.২)  য'ত অধিকাৰক্ষেত্ৰৰ প্ৰশ্ন উত্থাপন কৰা হয় আৰু বিচাৰ আদালতে সেই বিষয়টোৰ বিচাৰ নিৰ্ণয় কৰাটো প্ৰয়োজনীয় হয়, তেনে ক্ষেত্ৰত যুক্তিসমূহ লিপিবদ্ধ কৰিব নালাগে বুলি অভিহিত কৰিব পৰা নাযায়। এনে ক্ষেত্ৰত যুক্তিসমূহ অধিকাৰক্ষেত্ৰৰ প্ৰশ্নৰ সৈতে সম্পৰ্কিত আৰু অভিযোগ বৰ্ণন সম্পৰ্কীয় বিষয়ৰ সৈতে সম্পৰ্কিত নহয়। এনে ক্ষেত্ৰত অধিকাৰক্ষেত্ৰ সম্পৰ্কীয় বিবৃতিৰ সৈতে মোকাবিলা কৰা যুক্তিসমূহ লিপিবদ্ধ কৰিব লাগিব। [২৬৩-ডি]

ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰঃ ফৌজদাৰী আপীল নং ১২৭৬/২০০৬।

পাটনা উচ্চ ন্যায়ালয়ৰ ফৌজদাৰী বিবিধ গোচৰ নং ১৪৮৯৪/২০০০ ত ২১-৬-২০০৫ তাৰিখৰ চূড়ান্ত ৰায়দান আৰু নিৰ্দেশনাৰ পৰা।

আপীলকাৰীৰ হৈ পি.পি. ৰাও, পি. এইছ্. পাৰেখ, ই.আৰ. কুমাৰ আৰু শকুন শৰ্মা (মেচাৰ্ছ পি.এইছ্. পাৰেখ এণ্ড কোম্পানীৰ হৈ) ।

প্ৰতিবাদীপক্ষৰ হৈ প্ৰতিনিধিত্ব কৰিছে মোহন পৰাশৰণ, অতিৰিক্ত মহান্যায়বাদী, অমৰজিৎ সিং, অতিৰিক্ত মহান্যায়বাদী, পি.পৰমেশ্বৰন, চিদানন্দ ডি. এল. কে.কে. চেন্থিলভেলন, গৌৰৱ ধিংৰা, গোপাল সিং আৰু নিশাকান্ত পাণ্ডেই।

ন্যায়ালয়ৰ ৰায় প্ৰদান কৰে ন্যায়াধীশ ড° অৰিজিত পাছায়তে। অনুমোদন কৰা হ'ল ।

এই দুয়োখন আপীলত এই ন্যায়ালয়ে নিৰ্ধাৰণ কৰিবৰ বাবে এক মৌলিক প্ৰশ্ন উত্থাপন কৰা হৈছিল। দুৰ্নীতি নিবাৰণ আইন, ১৯৮৮ ৰ ধাৰা ১৩(১)(ই) আৰু আনুষংগিক ধাৰা ১৩(২) ৰ অধীনৰ দণ্ডনীয় অপৰাধৰ বাবে অভিযুক্ত-আপীলকাৰীৰ বিৰুদ্ধে গোচৰ চলোৱাৰ অনুমতিৰ বৈধতাৰ সৈতে এই মৌলিক প্ৰশ্নটো সম্পৰ্কিত। আইনখনৰ ধাৰা ১৯(১)(বি) আৰু ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩ (সংক্ষেপে 'সংহিতা')ৰ ধাৰা ১৯৭ উভয়ৰে অধীনত অনুমোদন প্ৰদান কৰা হয়।

অপৰাধটো সংজ্ঞানৰ সৈতে সম্পৰ্কিত কথাটো এয়ে যে আইনখনৰ অধীনত পূৰ্বৱৰ্তী অনুমোদন তেনে ক্ষেত্ৰতহে প্ৰয়োজনীয় যি ক্ষেত্ৰত জনসেৱকগৰাকীয়ে আদালতৰ দ্বাৰা গোচৰটো গ্ৰহণ কৰাৰ তাৰিখত অপব্যৱহাৰৰ অভিযোগ থকা একেটা পদতেই অধিষ্ঠিত হৈ নাথাকে। আপীলকাৰীসকলৰ স্থিতি এয়ে যে এজন জনসেৱকে একে পদত অধিষ্ঠিত নহৈ আন কোনো পদত অধিষ্ঠিত হ'লেও অনুমোদনৰ প্ৰয়োজন হয়। সেই সন্দৰ্ভত এইবুলি ব্যক্ত কৰা হৈছে যে আৰ.এছ. নায়ক বনাম এ.আৰ.অন্তুলে [১৯৮৪] ২ এছ চি চি ১৮৩ ত লোৱা সিদ্ধান্ত ত্ৰুটিপূৰ্ণ কাৰণ আইনখনৰ ধাৰা ১৯(২) ৰ প্ৰভাৱ বিবেচনা কৰা হোৱা নাছিল। এইবুলিও উপস্থাপন কৰা হয় যে আইন আয়োগে

ইয়াৰ ৪১তম প্ৰতিবেদনৰ পৰামৰ্শসমূহৰ অন্তৰ্গত সংহিতাৰ ১৯৭ নং ধাৰাৰ অধীনৰ অনুমোদন এজন অৱসৰপ্ৰাপ্ত জনসেৱকলৈও সম্প্ৰসাৰণ কৰাত গুৰুত্ব আৰোপ কৰিছে। এই অনুমোদন দুৰ্নীতি প্ৰতিৰোধ আইন, ১৯৪৭ (সংক্ষেপে '১৯৪৭ চনৰ আইন') ৰ ধাৰা ১৯ (১) ৰ সৈতে সম্পৰ্কিত ধাৰা ৬ (১) ৰ অধীনতো সম্প্ৰসাৰিত কৰা উচিত আছিল। আমাৰ মতে এইটো এটা বাদ পৰা বিষয় । উপৰোক্ত আৰ. এছ.নায়ক গোচৰটোত সিদ্ধান্ত লোৱাৰ প্ৰয়োজন হোৱা তিনিটা প্ৰশ্নৰ সৈতে সম্পৰ্কিত নোহোৱা বিষয়বোৰৰ ক্ষেত্ৰত আৰ. এছ.নায়ক গোচৰটোৰ সিদ্ধান্তক এক বাধ্যতামূলক নজিৰ হিচাপে গণ্য কৰিব নোৱাৰি। অনুমোদন আৰু অধিকাৰক্ষেত্ৰৰ অভাৱৰ বিবৃতি নাকচ কৰা নিৰ্দেশটো এক স্পষ্ট আজ্ঞাৰে জাৰি কৰাটো প্ৰয়োজনীয়। ৰাজ্যপালৰ নিৰ্দেশত চৰকাৰৰ সচিবৰ অনুমোদন আজ্ঞাত স্বাক্ষৰ কৰাৰ কোনো অধিকাৰ নাছিল। সেয়েহে, ৰাজ্যপালৰ তথাকথিত অনুমোদনৰ কোনো আইনগত শুদ্ধতা নাই। অভিযোগ কৰা সামঞ্জস্যহীন সম্পত্তিবোৰ শ্ৰীমতী ৰাবৰী দেৱী মুখ্যমন্ত্ৰী হোৱাৰ সময়ৰ সৈতে সম্পৰ্কিত আছিল বুলি দেখুৱাবলৈ কোনো তথ্য নাই। সেই সময়ত তেওঁ হয়তো এম. এল. চি. বা এম. এল. এ. পদতো অধিষ্ঠিত আছিল আৰু সেয়েহে, প্ৰদত্ত অনুমোদনৰ কোনো বৈধতা নাই।

উল্লেখ্য যে লালু প্ৰসাদ যাদৱ গোচৰটোৰ ক্ষেত্ৰত ৰাজ্যপালে অনুমোদন জনাইছিল। আপীলকাৰীৰ পত্নীৰ ক্ষেত্ৰত ফৰিয়াদী পক্ষই পৃথকভাৱে অনুমোদন লাভ কৰা নাছিল কিয়নো প্ৰাসংগিক সময়ছোৱাত ৰাবৰী দেৱী কেৱল এগৰাকী গৃহিণী আছিল ,জনসেৱক নাছিল। আপীলকাৰী লালু প্ৰসাদ যাদৱৰ সন্দৰ্ভত দিয়া অনুমোদনত, এইটো স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে তেওঁৰ পত্নীৰ কাৰ্যবোৰ তেওঁৰ স্বামী লালু প্ৰসাদ যাদৱে ধাৰা ১৩(১)(ই) ৰ অধীনত অপৰাধ সংঘটিত কৰাত সহযোগ আৰু প্ৰৰোচনা কৰাৰ দৰে আছিল আৰু সেয়েহে ভাৰতীয় দণ্ডবিধি আইন(সংক্ষেপে আই.পি.চি),১৮৬০-ৰ ধাৰা ১০৭ আৰু ১০৯-ৰ অধীনত দণ্ডনীয় অপৰাধ সংঘটিত কৰা বাবে তেওঁৰ ওপৰত গোচৰ চলোৱাৰ উপযুক্ত কাৰণ আছিল।

আপীলকাৰীসকলৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী পি.পি. ৰাওৰ এক অন্যতম বিবৃতি এয়ে যে তলৰ আদালতসমূহে ভুলকৈ এই সিদ্ধান্তত উপনীত হৈছিল যে দোষমুক্ত কৰাৰ ক্ষেত্ৰত আৰু অভিযোগ গঠনৰ ক্ষেত্ৰত কোনো কাৰণ লিপিবদ্ধ কৰাৰ প্ৰয়োজন নাই। বিবৃতি প্ৰদান কৰা হয় যে ১৯৪৭ চনৰ আইনখনৰ ৬ নং ধাৰাৰ উপধাৰা (২)ক অন্তৰ্ভুক্ত কৰাৰ আধাৰ গঠন কৰা ড° বক্সী টেকচান্দ সমিতিৰ প্ৰতিবেদনে এয়া সন্দেহাতীত বুলি স্বীকাৰ কৰিছে আৰু ই জনসেৱকে দুটা পদবীত অধিষ্ঠিত থকাৰ কথা উল্লেখ কৰিছে ,তাৰে এটাত আলোচ্য অপৰাধ সংঘটনৰ সময়ত আৰু আনটো ন্যায় সোধনৰ সময়ত।

প্ৰতিবাদীপক্ষ-চৰকাৰৰ বিদ্বান অধিবক্তাই উপস্থাপন কৰে যে উত্থাপন কৰা বিবৃতিসমূহৰ কোনোটোতেই আইনৰ দৃষ্টিত গুৰুত্ব নাই।

বাদ পৰা বিষয় সম্পৰ্কীয় বিবৃতিৰ ক্ষেত্ৰত আইনৰ স্থিতি তলত দিয়া ধৰণৰঃ

অৰ্থ ব্যাখ্যাৰ দুটা নীতিৰ ভিতৰৰ এটা বাদ পৰা বিষয়ৰ সৈতে সম্পৰ্কিত আৰু আনটো সামগ্ৰিকভাৱে সংশ্লিষ্ট আইনৰ পঠনৰ সৈতে সম্পৰ্কিত যিটো সুপ্ৰতিষ্ঠিত যেন প্ৰতীয়মান হয়। প্ৰথম নীতিৰ অধীনত স্পষ্ট প্ৰয়োজনীয়তাৰ ব্যতিৰেকে ন্যায়ালয়ে বাদ পৰা বিষয় সংযোজন কৰিব নোৱাৰে আৰু যেতিয়া ইয়াৰ কাৰণ সংশ্লিষ্ট আইনৰ পৰিসীমাত পোৱা যায় তেতিয়া কিন্তু একে সময়তে বাদ পৰা বিষয় ক্ষিপ্ৰতাৰে অনুমান কৰিব নালাগে আৰু সেই উদ্দেশ্যে এখন আইনৰ সকলো অংশ বা ধাৰাক একেলগে ব্যাখ্যা কৰিব লাগিব আৰু ইয়াৰ এটা ধাৰাৰ প্ৰতিটো বাক্যাংশক প্ৰসংগ আৰু ইয়াৰ অন্যান্য বাক্যাংশৰ সন্দৰ্ভত ব্যাখ্যা কৰিব লাগিব যাতে নিৰ্দিষ্ট ব্যৱস্থাৰ ব্যাখ্যাই সমগ্ৰ আইনখনক সংগতিপূৰ্ণ আইনত পৰিণত কৰে। এইটো অধিক ফলপ্ৰসূ হ'ব যদিহে এটা নিৰ্দিষ্ট দফাৰ আক্ষৰিক ব্যাখ্যাৰ ফলত স্পষ্টভাৱে অযুক্তিকৰ বা ব্যতিক্ৰমী ফলাফলৰ সূচনা হয় যিটো বিধানমণ্ডলৰ অভিপ্ৰায় নাছিল। আৰ্টেমিউ বনাম প্ৰক'পিঅ', (১৯৬৬)১ কিউ.বি.৮৭৮ -ত এল. জে. ডেনাকৱাৰ্টছে কৈছিল, "এক অযুক্তিযুক্ত ফলাফল প্ৰদানৰ অভিপ্ৰায় কোনো আইনত আৰোপ কৰা যুগুত নহয়

যদিহে আন কোনো ধাৰণা উপলব্ধ থাকে।" যেতিয়া শব্দবোৰ আক্ষৰিকভাৱে প্ৰয়োগ কৰিলে "বিধানমণ্ডলৰ স্পষ্ট অভিপ্ৰায় ব্যৰ্থ কৰিব আৰু সম্পূৰ্ণৰূপে অযুক্তিযুক্ত ফলাফল প্ৰদান কৰিব" তেনেক্ষেত্ৰত আমি সেই স্পষ্ট অভিপ্ৰায় প্ৰাপ্ত কৰিবলৈ শব্দবোৰৰ কিছু অপপ্ৰয়োগ  কৰিব লাগিব" আৰু এক যুক্তিসংগত ধাৰণা পোষণ কৰিব লাগিব। (লিউক বনাম আই. আৰ. চি., (১৯৬৩) এ. চি. ৫৫৭-ত লৰ্ড ৰেইডৰ মতে), ইয়াৰে ৫৭৭ পৃষ্ঠাত তেওঁ এনেদৰেও পৰ্যবেক্ষণ কৰিছিলঃ "এইটো এটা নতুন সমস্যা নহয়, যদিও আমাৰ খচৰা প্ৰস্তুত কৰাৰ মানদণ্ড এনেকুৱা যে এয়া কদাচিৎহে উদ্ভৱ হয়।"

এইটো সঁচা যে, "যেতিয়া কোনো আইনৰ শব্দবোৰে কদাচিৎ ঘটি থকা   অসুবিধা নিৰ্দেশ  নকৰে, ইয়াৰ পৰিৱৰ্তে  প্ৰায়ে সংঘটিত হৈ থকা তথ্য সূচায়, তেন্তে শব্দবোৰক বাদ পৰা আইনী বিষয় বুলি কৈ এইবোৰে নিৰ্দেশ কৰা অৰ্থতকৈ বেছি জটিল নকৰাটো ভাল আৰু  আইনৰ উদ্দেশ্য হৈছে সঘনাই ঘটি থকা  ক্ষেত্ৰসমূহক অভিযোজিত কৰা। "কিন্তু, যেতিয়া আইনী শব্দবোৰে কদাচিতহে ঘটি থকা অসুবিধা নিৰ্দেশ  কৰে, তেন্তে ইহঁতক অধিক সঘনে ঘটি থকা ক্ষেত্ৰলৈ সম্প্ৰসাৰিত কৰাটো উচিত নহয়, কাৰণ  এয়া ঘটে যদিও কদাচিতহে ঘটে (ফেন্টন বনাম হেম্পটন, (১৮৫৮) একাদশ মূৰ, পি. চি. ৩৪৭ চাওক)।  প্ৰৱল প্ৰয়োজনীয়তাৰ কিছুমান ক্ষেত্ৰৰ বাহিৰে, অৰ্থ ব্যাখ্যাৰ দ্বাৰা এটা বাদ পৰা বিষয় উন্মেষ কৰা উচিত নহয়। অৱশ্যে, বিধানমণ্ডলৰ অনিচ্ছাকৃত ভুল বা এবাৰ বা দুবাৰ সংঘটিত বিষয়ৰ ক্ষেত্ৰত বিধায়ক বা সাংসদৰ অজ্ঞতাৰ নীতিৰ ভিত্তিত এনে বাদ পৰা বিষয়ৰ ক্ষেত্ৰত সংশ্লিষ্ট আইন প্ৰণয়নৰ পূৰ্বে বাহাল থকা আইন অনুসৰি ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। জ'নছ বনাম স্মাৰ্ত (১ টি. আৰ. ৫২)-ত ন্যায়াধীশ বুলাৰে পৰ্যবেক্ষণ কৰিছিল যে "কোনো পৰিস্থিতি যেতিয়া আইনৰ পৰিসৰত নপৰে ন্যায়ালয়ে কোনো ক্ষেত্ৰতে  নতুন আইন সৃষ্টি কৰি লব নোৱাৰে তাৰ বাবে ন্যায়ালয়ে প্ৰচলিত আইনৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব।" মৌলবী হুছেইন হাজি আব্ৰাহাম ওমৰজী বনাম গুজৰাট ৰাজ্য আৰু অন্যান্য, জে টি (২০০৪) ৬ এছ চি ২২৭-ত  এই নীতিসমূহ বিশদভাৱে পৰীক্ষা কৰা হৈছে।

লিখিত বিধিগত নথিৰ অৰ্থ ব্যাখ্যা কৰাৰ বাবে শ্ৰেষ্ঠ নিয়মটো এয়ে যে শব্দবোৰৰ ব্যাকৰণসিদ্ধ আৰু সাধাৰণ অৰ্থ অনুসৰণ কৰিব লাগিব যদিহে ই বিধিগত নথিৰ অৱশিষ্ট অংশৰ সৈতে কিছু অযৌক্তিকতা বা কিছু বিৰোধিতা বা অসামঞ্জস্যতাৰ সৃষ্টি নকৰে, এনে সৃষ্টিৰ ক্ষেত্ৰত শব্দবোৰৰ ব্যাকৰণসিদ্ধ আৰু সাধাৰণ অৰ্থ সংশোধন কৰিব পাৰি, যাতে সেই অযৌক্তিকতা আৰু অসামঞ্জস্যতা পৰিহাৰ কৰিব পাৰি, কিন্তু ইয়াতকৈ অধিক নহয়। (গ্ৰে বনাম পিয়াৰছন, (১৮৫৭) ৬ এইছ.এল. কেছ ৬১ চাওক)। অৱশ্যে এই "শ্ৰেষ্ঠ নিয়ম" ৰ শেষৰ অংশটো অতি সাৱধানতাৰে প্ৰয়োগ কৰিব লাগিব। মুখ্য ন্যায়াধীশ জাৰ্ভিছে মন্তব্য কৰিছিল, "যদি ব্যৱহাৰ কৰা সঠিক শব্দবোৰ আমাৰ বিচাৰত সহজবোধ্য আৰু দ্ব্যৰ্থহীন হয়, আমি সেইবোৰক সাধাৰণ অৰ্থত ব্যাখ্যা কৰিবলৈ বাধ্য, যদিও ই আমাৰ দৃষ্টিত, এক অযৌক্তিকতা বা প্ৰকাশ্য অন্যায়লৈ লৈ যায়। শব্দবোৰ কিছু সালসলনি বা ভিন্ন কৰিব পাৰি য'ত সেইবোৰৰ অৰ্থ সন্দেহজনক বা অস্পষ্ট হয়। কিন্তু যেতিয়া আমি ব্যৱহাৰ কৰা সঠিক শব্দবোৰৰ সহজবোধ্য অৰ্থৰ পৰা আঁতৰি যাওঁ তেতিয়া আমি আইন প্ৰণেতাসকলৰ কাৰ্যসমূহ গ্ৰহণ কৰোঁ, ইয়াৰ কাৰণ এয়ে যে, সেইবোৰৰ আক্ষৰিক অৰ্থ অনুসৰণত আমি এক অযৌক্তিকতা বা স্পষ্ট অন্যায় প্ৰত্যক্ষ কৰোঁ ( এব্লে বনাম ডেল ১১,চি.বি.৩৭৮ )।

আইন আয়োগৰ প্ৰতিবেদন আৰু ড° বক্সী টেকচান্দৰ প্ৰতিবেদনৰ প্ৰভাৱ বিধানমণ্ডলে বিবেচনা কৰা নাই আৰু সেয়েহে এইটো "বাদ পৰা বিষয়ৰ" ৰ এক ক্ষেত্ৰ বুলি প্ৰদান কৰা  বিবৃতিটোৰ স্পষ্টভাৱে কোনো সাৰগৰ্ভ নাই। এই ন্যায়ালয়ে কালিচৰণ মহাপাত্ৰ বনাম উৰিষ্যা চৰকাৰ, [১৯৯৮]৬ এছ. চি. চি.৪১১-ত একেধৰণৰ বিবৃতিৰ সৈতে মোকাবিলা কৰাৰ সুযোগ পাইছিল। ইয়াক তলত উল্লেখ কৰা হৈছেঃ

"১৩। মনত ৰাখিব লাগিব যে ১৯৭৩ চনৰ সংহিতাৰ ধাৰা ১৯৭-ত এনে এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন অনা সত্ত্বেও, সংসদে অনুমোদনৰ সৈতে সম্পৰ্কিত আইনখনৰ ধাৰা ১৯-ৰ শব্দ সলনি নকৰিবলৈ যথেষ্ট সাৱধানতা অৱলম্বন কৰিছিল। ইয়াৰ কাৰণ স্পষ্ট। সংহিতাৰ ধাৰা ১৯৭-ত বিবেচনা কৰা অনুমোদন  এনে এগৰাকী জনসেৱকৰ  সৈতে

সম্পৰ্কিত যিগৰাকীয়ে "তেওঁৰ চৰকাৰী কৰ্তব্য পালন কৰাৰ সময়ত বা কৰ্তব্য পালনৰ অভিপ্ৰায়ত তেওঁৰ দ্বাৰা কৰা যিকোনো অপৰাধৰ অভিযোগত অভিযুক্ত", আনহাতে দুৰ্নীতি প্ৰতিৰোধ আইনত বিবেচনা কৰা অপৰাধবোৰ তেওঁ চৰকাৰী কৰ্তব্য পালনত প্ৰত্যক্ষভাৱে বা  সম্ভাৱনাপূৰ্ণ ভাৱে কৰা কাৰ্য হিচাপে গণ্য কৰিব নোৱাৰি। সংসদে নিশ্চয় এই পাৰ্থক্য বজাই ৰাখিব বিচাৰিছিল আৰু সেয়েহে পূৰ্বৰ দুৰ্নীতি প্ৰতিৰোধ আইনৰ সংশ্লিষ্ট ব্যৱস্থাৰ শব্দবোৰ সংহিতাৰ ধাৰা ১৯৭-ত কৰা পৰিৱৰ্তনৰ সত্ত্বেও কোনো পৰিৱৰ্তন নোহোৱাকৈ নতুন দুৰ্নীতি প্ৰতিৰোধ আইন ,১৯৮৮ -ত সন্নিৱিষ্ট কৰা হৈছিল।"

এইটো উল্লেখ কৰিব পাৰি যে সংহিতাৰ ধাৰা ১৯৭ আৰু আইনখনৰ ১৯ নং ধাৰাই ধাৰণাগতভাৱে ভিন্ন ক্ষেত্ৰত কাম কৰে। আইনখনৰ অধীনৰ গোচৰৰ ক্ষেত্ৰত জনসেৱকসকলৰ সাপেক্ষে অনুমোদন স্বয়ংক্ৰিয় প্ৰকৃতিৰ হয় আৰু সেয়েহে তথ্যগত দিশবোৰৰ সামান্য বা কোনো পৰিণাম নাথাকে। ইয়াৰ বিপৰীতে, সংহিতাৰ ধাৰা ১৯৭ৰ সৈতে সম্পৰ্কিত এটা গোচৰত, অভিযোগ কৰা  কাৰ্যৰ কৰ্তব্য পালনৰ সৈতে কোনো সম্পৰ্ক আছে নে নাই সেয়া বিচাৰি উলিয়াবলৈ গোচৰটোৰ মূল বিষয় আৰু মৌলিক বৈশিষ্ট্যসমূহ বিবেচনা কৰিব লাগিব। আইনখনৰ ১৯ নং ধাৰাৰ ক্ষেত্ৰত স্থিতি তেনে নহয়।

বিদ্বান অধিবক্তাই উত্থাপন কৰা  'বাদ পৰা বিষয়' বিবৃতি প্ৰকাশ সিং বাদল গোচৰত একেধৰণৰ বিবৃতিৰ সন্দৰ্ভত লোৱা স্থিতিৰ সৈতে ভিন্ন। সেই গোচৰত আপীলকাৰীৰ বিদ্বান অধিবক্তাৰ স্থিতি এয়ে আছিল যে প্ৰাসংগিক ব্যৱস্থা উপলব্ধ নাই আৰু ইয়াক বিধিৰ ভিতৰত পঢ়িব লাগিব আৰু যিহেতু আইনখনৰ ধাৰা ১৯(২)ৰ প্ৰভাৱ আৰ.এছ, নায়কৰ গোচৰটোত (ওপৰত উল্লেখ কৰা)  বিবেচনা কৰা হোৱা নাই, সেয়েহে এইটো যত্নহীনতাৰ এক গোচৰ। আমি উক্ত গোচৰটোত বিষয়টো পৰীক্ষা কৰিছো আৰু বিবৃতিটো প্ৰমাণিত কৰিছো।

শিৱেন্দ্ৰ কুমাৰ বনাম মহাৰাষ্ট্ৰ চৰকাৰ [২০০১] ৯ এছ. চি. চি. ৩০৩ ৰ গোচৰত তলত উল্লেখ কৰা ধৰণে পৰ্যবেক্ষণ কৰা হৈছিলঃ

"১১। আইনখনৰ ৬ নং ধাৰা চালে এইটো স্পষ্ট হয় যে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১৬১ বা ১৬৪ বা ১৬৫ ৰ অধীনত বা আইনখনৰ ৫ নং ধাৰাৰ উপধাৰা (২) বা উপধাৰা (৩-এ) ৰ অধীনত দণ্ডনীয় অপৰাধ কৰাৰ অভিযোগত অভিযুক্ত এগৰাকী জনসেৱকৰ বিৰুদ্ধে গোচৰ চলোৱাৰ বাবে পূৰ্বৱৰ্তী অনুমোদন বাধ্যতামূলকভাৱে প্ৰয়োজনীয়। প্ৰকৃততে এই ধাৰাটোৰ ভাষা পূৰ্বৱৰ্তী অনুমোদন অবিহনে এনে অপৰাধৰ গোচৰ গ্ৰহণ কৰা যিকোনো আদালতৰ বিৰুদ্ধে নিষেধাজ্ঞাৰ ৰূপত আছে। এনে অনুমোদন প্ৰদান কৰা কৰ্তৃপক্ষ/কৰ্তৃপক্ষসমূহক উপধাৰা ১ৰ দফা (এ) ,(বি) আৰু (চি) ত নিৰ্দিষ্ট কৰা হৈছে। দফা (এ) ৰ অধীনত প্ৰদান কৰা হৈছে যে কেন্দ্ৰীয় চৰকাৰৰ কাম-কাজৰ সৈতে জড়িত এজন ব্যক্তিক তেওঁৰ কাৰ্যালয়ৰ পৰা অপসাৰণ কৰিবলৈ অনুমোদন প্ৰদান কৰা কৰ্তৃপক্ষ হৈছে কেন্দ্ৰীয় চৰকাৰ। দফা (বি) ৰ অধীনত প্ৰদান কৰা হৈছে যে ৰাজ্য চৰকাৰৰ কাম-কাজৰ সৈতে জড়িত এজন ব্যক্তিক তেওঁৰ কাৰ্যালয়ৰ পৰা অপসাৰণ কৰিবলৈ অনুমোদন প্ৰদান কৰা কৰ্তৃপক্ষ হৈছে ৰাজ্য চৰকাৰ।; আৰু দফা (চি) ৰ অধীনত আন যিকোনো ব্যক্তিৰ ক্ষেত্ৰত সংশ্লিষ্ট ব্যক্তিক তেওঁৰ কাৰ্যালয়ৰ পৰা অপসাৰণ কৰিবলৈ সক্ষম কৰ্তৃপক্ষই অপসাৰণৰ অনুমোদন প্ৰদান কৰিব পাৰে। এফালে দফা (এ) আৰু (বি) আৰু আনফালে দফা (চি) ত ব্যৱহৃত ভাষাৰ পাৰ্থক্যক উপেক্ষা কৰিব নোৱাৰি। প্ৰথম ক্ষেত্ৰত পৰিস্থিতি সাপেক্ষে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে অনুমোদন প্ৰদান কৰিব লাগিব, দফা (চি) ৰ অধীনত বিশেষভাৱে প্ৰদান কৰা হৈছে যে অপৰাধী জনসেৱকক কাৰ্যালয়ৰ পৰা আঁতৰাবলৈ সক্ষম কৰ্তৃপক্ষই অপসাৰণৰ অনুমোদন প্ৰদান কৰিব লাগিব । আগতে উল্লেখ কৰাৰ দৰে, বৰ্তমানৰ ক্ষেত্ৰত ধাৰা ৬ (১) (বি) প্ৰযোজ্য। উক্ত ব্যৱস্থাটোৰ অধীনত কোনো বিশেষ বিষয়াক অনুমোদন প্ৰদানৰ বাবে সক্ষম কৰ্তৃপক্ষ হিচাপে উল্লেখ কৰা হোৱা নাই। ইয়াত কেৱল উল্লেখ কৰা হৈছে যে যিখন ৰাজ্য চৰকাৰৰ অনুমোদন অবিহনে

অপৰাধী বিষয়া এজনক কাৰ্যালয়/পদৰ পৰা অপসাৰণ কৰিব নোৱাৰি, সেয়াই হৈছে অনুমোদনৰ নিৰ্দেশ জাৰি কৰিবলৈ সক্ষম কৰ্তৃপক্ষ।

নথিভুক্ত অনুমোদন আদেশৰ পৰা এইটো স্পষ্ট হয় যে চিকিৎসা শিক্ষা বিভাগৰ সচিবে ৰাজ্যপালৰ হৈ আপীলকাৰীৰ বিৰুদ্ধে গোচৰ চলোৱাৰ অনুমতি দিয়া আদেশত স্বাক্ষৰ কৰিছিল। এই ক্ষেত্ৰত আপীলকাৰীৰ কোনো দ্বিমত নাই যে সচিবজনৰ ৰাজ্য চৰকাৰৰ হৈ কাম কৰাৰ কোনো অধিকাৰ নাছিল। এইটোৱে সূচায় যে ৰাজ্য চৰকাৰৰ ৰাজ্যপালৰ কৰ্তৃত্বত চিকিৎসা শিক্ষা বিভাগৰ সচিবে বৰ্তমানৰ গোচৰটোত অনুমোদনৰ নিৰ্দেশটো জাৰি কৰিছিল। ৰাজ্যপালে বিভাগৰ সচিবৰ বাহিৰে আন এজন বিষয়াক গোচৰটোত অনুমোদনৰ আদেশ প্ৰদান কৰিবলৈ ক্ষমতা প্ৰদান কৰা কোনো নিৰ্দেশ জাৰি কৰিছিল বুলি প্ৰকট কৰিবলৈ কোনো নথিভুক্ত তথ্য আমাৰ দৃষ্টিগোচৰলৈ অনা হোৱা নাই। যদি সেইটোৱেই আছিল, তেন্তে আপীলকাৰীয়ে নিৰ্দেশটো উপস্থাপন কৰা উচিত আছিল বা অন্ততঃ এই যুক্তি উত্থাপন কৰা উচিত আছিল যে সচিবৰ বাহিৰে আন এজন বিষয়াক সেই উদ্দেশ্যৰ বাবে ক্ষমতা প্ৰদান কৰা হৈছিল। এনে কোনো নথি প্ৰদান কৰা বুলি ধাৰণা ওপজা নাই। যেতিয়া সচিবজনক তেওঁ জাৰি কৰা অনুমোদন আদেশৰ সমৰ্থনত পৰীক্ষা কৰা হৈছিল তেতিয়াও তেওঁৰ আগত এনে প্ৰশ্ন উত্থাপন কৰা হৈছিল। আপীলকাৰীক অপসাৰণ কৰাৰ অধিকাৰ তেওঁৰ নাই বুলি তেওঁ প্ৰদান কৰা সাক্ষ্যৰ বাক্যটো নিৰ্ভৰযোগ্য বুলি প্ৰকট কৰা হয়। এই বিবৃতিটোৱে, অধিক তথ্যৰ অবিহনে, চিকিৎসা শিক্ষা বিভাগৰ সচিবে ৰাজ্য চৰকাৰৰ হৈ অনুমোদনৰ আদেশ প্ৰদান কৰিবলৈ সক্ষম নাছিল বুলি আগবঢ়োৱা যুক্তিৰ আধাৰ গঠন কৰিব নোৱাৰে। চৰকাৰে ইয়াৰ বিষয়াসকলৰ জৰিয়তে কৰ্ম সম্পাদন কৰে। সচিব হৈছে বিভাগৰ মুৰব্বী আৰু সংশ্লিষ্ট বিভাগত ৰাজ্য চৰকাৰক প্ৰতিনিধিত্ব কৰা প্ৰধান বিষয়া। আপীলকাৰীৰ বিৰুদ্ধে গোচৰ চলোৱাৰ অনুমোদনৰ বিষয়টো মোকাবিলা কৰিবলৈ আন কোনো বিষয়া সক্ষম আছিল বুলি দেখুৱাবলৈ নিৰ্দিষ্ট তথ্য প্ৰদান নকৰালৈকে এইটো যুক্তিসংগতভাৱে অনুমান কৰিব পাৰি যে বিভাগৰ সচিব হৈছে অনুমোদনৰ আদেশ প্ৰদান কৰাৰ বাবে সক্ষম

কৰ্তৃপক্ষ। ধাৰা ৬ বা সেই বিষয় সন্দৰ্ভত ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৯৭ অনুসৰি এজন জনসেৱকক কোনো অপ্ৰয়োজনীয় হাৰাশাস্তি কৰা উচিত নহয়; এই ক্ষেত্ৰত ধাৰণাটো এয়ে যে যদিহে প্ৰতিজন আক্ৰান্ত বা অসন্তুষ্ট ব্যক্তিক জনসেৱকৰ বিৰুদ্ধে অপৰাধমূলক অভিযোগ উত্থাপন কৰিবলৈ অনুমতি দিয়া হয় তেন্তে জনসেৱকগৰাকী হাৰাশাস্তিৰ সন্মুখীন হ'ব, সেয়ে জনসেৱকগৰাকীৰ ওপৰত হ'ব পৰা হাৰাশাস্তিৰ পৰা ৰক্ষা  কৰিবলৈ এই ধাৰণাটো পোষণ কৰা হৈছে, এই সুৰক্ষাৰ অন্তৰ্গত ফৌজদাৰী গোচৰৰ বিৰুদ্ধে এক সম্পূৰ্ণ আৰু নিৰংকুশ প্ৰতিৰক্ষা প্ৰদানৰ অভিপ্ৰায় নাই। দেখা গৈছে যে যি ক্ষেত্ৰত ৰাজ্য চৰকাৰক প্ৰতিনিধিত্ব কৰাৰ উদ্দেশ্যে আইন অনুসৰি সক্ষম কৰ্তৃপক্ষই অনুমোদনৰ আদেশ প্ৰদান কৰে, তেনে ক্ষেত্ৰত এনে আদেশৰ কৰ্তৃত্বক প্ৰত্যাহ্বান জনোৱা পক্ষৰ ওপৰত দায়িত্ব বেছি হয়। উক্ত পক্ষই এইবুলি সাব্যস্ত কৰিব লাগিব যে অনুমোদনৰ আদেশ প্ৰদান কৰিবলৈ সক্ষম কৰ্তৃপক্ষ আন কোনোবা হয় আৰু আলোচ্য অনুমোদন আদেশ প্ৰদান কৰা বিষয়াগৰাকী নহয়।"

(গুৰুত্ব আৰোপ কৰাৰ বাবে তলত আঁচ টনা হৈছে)

এইটোৱে আমাৰ সন্মুখত আন এটা প্ৰশ্নৰ অৱতাৰণা কৰে যিটোৰ যদিও মূল বিবৃতি নাকচ হোৱাৰ পিছত কোনো প্ৰাসংগিকতা নাথাকিব পাৰে, তথাপি ইয়াক বিবেচনা কৰিব লাগিব কাৰণ এনে বিষয়বোৰ সঘনাই বিবেচনা কৰিবলগীয়া হয়।

অভিযোগ বৰ্ণনৰ সময়ত কাৰণ লিপিবদ্ধ কৰা সম্পৰ্কে উত্থাপিত প্ৰশ্নটো অভিমতৰ গোচৰৰ পৰা পৃথক যাৰ ভিত্তিত অভিযুক্তক খালাচ দিয়াৰ নিৰ্দেশ দিয়া হয়।

দণ্ডসত্ৰ ন্যায়ালয়ৰ দ্বাৰা বিচাৰযোগ্য গোচৰত অভিযুক্তৰ  খালাচ আৰু অভিযুক্তৰ বিৰুদ্ধে অভিযোগ বৰ্ণনৰ সৈতে সম্পৰ্কিত সংহিতাৰ ধাৰা ক্ৰমে ২২৭ আৰু ২২৮; দণ্ডাধীশৰ দ্বাৰা বিচাৰযোগ্য পৰোৱানা গোচৰৰ ক্ষেত্ৰত অভিযুক্তৰ খালাচ আৰু অভিযোগ বৰ্ণনৰ সৈতে সম্পৰ্কিত সংহিতাৰ ধাৰা ক্ৰমে ২৩৯ আৰু ২৪০ ,আনহাতে

আৰক্ষী প্ৰতিবেদনৰ অবিহনে আৰম্ভ কৰা গোচৰত অভিযুক্তৰ খালাচ আৰু অভিযোগ বৰ্ণনৰ সৈতে সম্পৰ্কিত ধাৰা ২৪৫-এ পাৰ্থক্য সূচায়।

প্ৰাসংগিক ব্যৱস্থাসমূহ তলত উল্লেখ কৰা ধৰণৰঃ

"২২৭-খালাচঃ যদি গোচৰটোৰ অভিলেখ আৰু ইয়াৰ সৈতে দাখিল কৰা নথিপত্ৰসমূহ বিবেচনা কৰাৰ পিছত আৰু অভিযুক্ত তথা ফৰিয়াদী পক্ষৰ বিবৃতিৰ শুনানি লোৱাৰ পিছত ন্যায়াধীশজনে বিবেচনা কৰে যে অভিযুক্তৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে কোনো পৰ্যাপ্ত ভিত্তি নাই, তেন্তে তেওঁ অভিযুক্তজনক খালাচ দিব আৰু এনে কৰাৰ কাৰণসমূহ তেওঁ লিপিবদ্ধ কৰিব।"

"২২৮- অভিযোগ বৰ্ণন- ১) যদি, এনে বিবেচনা আৰু উপৰোক্ত শুনানি গ্ৰহণৰ পিছত, ন্যায়াধীশগৰাকীয়ে অভিমত পোষণ কৰে যে অভিযুক্তই এনে এক অপৰাধ কৰিছে বুলি অনুমান কৰাৰ ভিত্তি আছে যিটো অপৰাধ -

(ক) দণ্ডসত্ৰ ন্যায়ালয়ৰ দ্বাৰা বিশেষভাৱে বিচাৰযোগ্য নহয়, তেনেক্ষেত্ৰত তেওঁ অভিযুক্তৰ বিৰুদ্ধে অভিযোগ গঠন কৰিব পাৰে আৰু নিৰ্দেশৰ দ্বাৰা গোচৰটো বিচাৰৰ বাবে মুখ্য ন্যায়িক দণ্ডাধীশলৈ বা আন যিকোনো প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশলৈ স্থানান্তৰ কৰিব পাৰে আৰু অভিযুক্তগৰাকীক মুখ্য ন্যায়িক দণ্ডাধীশ বা পৰিস্থিতি সাপেক্ষে প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আগত তেওঁ উপযুক্ত বুলি বিবেচনা কৰা তাৰিখত হাজিৰ হ'বলৈ নিৰ্দেশ দিব পাৰে আৰু তাৰ পিছত এনে দণ্ডাধীশে আৰক্ষী প্ৰতিবেদন ক্ৰমে আৰম্ভ কৰা পৰোৱানা গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অনুসৰি অপৰাধৰ বিচাৰ কৰিব।

(বি) দণ্ডসত্ৰ ন্যায়ালয়ৰ দ্বাৰা বিশেষভাৱে বিচাৰযোগ্য, তেন্তে তেওঁ অভিযুক্তৰ বিৰুদ্ধে অভিযোগ লিপিবদ্ধ কৰিব।

(২) য'ত ন্যায়াধীশে উপধাৰা(১)ৰ দফা(বি) ৰ অধীনত কোনো অভিযোগ বৰ্ণন কৰে, তেনেক্ষেত্ৰত অভিযোগটো অভিযুক্তগৰাকীৰ আগত পঠন কৰি ব্যাখ্যা কৰা হ'ব আৰু

অভিযুক্তগৰাকীক এইবুলি সোধা-পোছা কৰা হ'ব যে তেওঁ আৰোপিত অপৰাধৰ বাবে নিজকে দোষী বুলি স্বীকাৰ কৰেনে নতুবা তেওঁ বিচাৰ কৰাৰ দাবী কৰে।”

"২৩৯। কেতিয়া অভিযুক্তক খালাচ দিয়া হ'ব- (ক) আৰক্ষীৰ প্ৰতিবেদন আৰু ইয়াৰ সৈতে ১৭৩ নং ধাৰাৰ অধীনত প্ৰেৰণ কৰা নথিপত্ৰসমূহ বিবেচনা কৰি আৰু আৱশ্যকীয় ক্ষেত্ৰত দণ্ডাধীশে প্ৰয়োজনীয় বুলি বিবেচনা কৰা ধৰণে অভিযুক্তৰ পৰীক্ষা কৰি আৰু ফৰিয়াদী পক্ষ তথা অভিযুক্তক শুনানিৰ সুযোগ প্ৰদান কৰি, যদিহে দণ্ডাধীশে অভিযুক্তৰ বিৰুদ্ধে অভিযোগটো ভিত্তিহীন বুলি বিবেচনা কৰে, তেন্তে তেওঁ অভিযুক্তক খালাচ দিব, আৰু এনে কৰাৰ বাবে তেওঁৰ কাৰণ লিপিবদ্ধ কৰিব।"

"২৪০।- অভিযোগ বৰ্ণন- ১) যদি, আৱশ্যকীয় ক্ষেত্ৰত এনে বিবেচনাত্মক পৰীক্ষা আৰু শুনানি গ্ৰহণৰ পিছত দণ্ডাধীশগৰাকীয়ে অভিমত পোষণ কৰে যে অভিযুক্তই এই অধ্যায়ৰ অধীনত এক অপৰাধ কৰিছে বুলি অনুমান কৰাৰ ভিত্তি আছে যিটো অপৰাধ এনে দণ্ডাধীশে বিচাৰ কৰিব পাৰে আৰু তেওঁৰ মতে যিটো অপৰাধৰ বাবে তেওঁ পৰ্যাপ্তভাৱে শাস্তি প্ৰদান কৰিব পাৰে, তেনে ক্ষেত্ৰত তেওঁ অভিযুক্তজনৰ বিৰুদ্ধে লিখিতভাৱে অভিযোগ বৰ্ণন কৰিব।

(২) তাৰ পিছত অভিযোগটো পঢ়ি অভিযুক্তজনক বুজাই দিয়া হ'ব, আৰু তেওঁক সোধা হ'ব যে আৰোপিত অপৰাধটোৰ বাবে তেওঁ নিজকে দোষী বুলি স্বীকাৰ কৰে নে বিচাৰ কৰাৰ দাবী কৰে।

"২৪৫-কেতিয়া অভিযুক্তক খালাচ দিয়া হ'ব-(১) ধাৰা ২৪৪-ত উল্লেখ কৰা সকলো প্ৰমাণ গ্ৰহণ কৰাৰ পিছত, লিপিবদ্ধ কৰিবলগীয়া কাৰণৰ বাবে, যদিহে দণ্ডাধীশে বিবেচনা কৰে যে অভিযুক্তৰ বিৰুদ্ধে আৰোপিত অভিযোগ অসত্য বুলি প্ৰমাণিত নোহোৱাৰ ক্ষেত্ৰত তেওঁ দোষী হ'ব,তেন্তে দণ্ডাধীশে তেওঁক খালাচ দিব।

(২) এই ধাৰাৰ কোনো কথাই গোচৰটোৰ যিকোনো পূৰ্বৱৰ্তী পৰ্যায়ত অভিযুক্তক খালাচ দিয়াত দণ্ডাধীশক বাধা দিয়া বুলি গণ্য কৰা নহ'ব, যদি এনে দণ্ডাধীশে লিপিবদ্ধ কৰা কাৰণৰ বাবে, তেওঁ অভিযোগটো ভিত্তিহীন বুলি বিবেচনা কৰে।”

বিহাৰ চৰকাৰ বনাম ৰমেশ সিং, এ. আই. আৰ. (১৯৭৭) এছ. চি.২০১৮ -ত এই ন্যায়ালয়ে তলত উল্লেখ কৰা ধৰণে পৰ্যবেক্ষণ কৰিছেঃ

"দুয়োটা ব্যৱস্থাক একেলগে তুলনামূলকভাৱে পঢ়িলে এইটো স্পষ্ট হ’ব যে, বিচাৰৰ আৰম্ভণি আৰু প্ৰাৰম্ভিক পৰ্যায়ত ফৰিয়াদীপক্ষই উত্থাপন কৰা প্ৰস্তাৱিত সাক্ষ্যৰ সত্যতা, শুদ্ধতা আৰু প্ৰভাৱক পুংখানুপুংখভাৱে বিচাৰ কৰিব নালাগে। লগতে অভিযুক্তজনৰ সম্ভাব্য প্ৰতিৰক্ষাৰ সন্দৰ্ভত কোনো গুৰুত্ব আৰোপ কৰিব নালাগে। বিচাৰৰ সেই পৰ্যায়ত বিচাৰকৰ বাবে কোনো দিশ বিতংভাৱে বিবেচনা কৰাটো বাধ্যতামূলক নহয় আৰু  তথ্যবোৰ যদি প্ৰমাণিত হয় অভিযুক্তৰ নিৰ্দোষিতাৰ সৈতে অসামঞ্জস্যপূৰ্ণ হ'ব নে নহয় সেয়া সংবেদনশীল দৃষ্টিভংগীৰে পৰিমাপ কৰাটো বাধ্যতামূলক নহয়। অভিযুক্তৰ অপৰাধ বা অন্য দিশ সন্দৰ্ভত  সিদ্ধান্ত নথিবদ্ধ কৰাৰ আগতে চূড়ান্তভাৱে প্ৰয়োগ কৰিবলগীয়া পৰীক্ষণ আৰু ৰায়দানৰ মানদণ্ড, আইনখনৰ ধাৰা ২২৭ বা ধাৰা ২২৮ ৰ অধীনত বিষয়টোত সিদ্ধান্ত লোৱাৰ পৰ্যায়ত যথাযথভাৱে প্ৰয়োগ কৰিব নালাগে। সেই পৰ্যায়ত আদালতে অভিযুক্তজনক দোষী সাব্যস্ত কৰাৰ বাবে পৰ্যাপ্ত ভিত্তি আছে নে নাই বা বিচাৰ প্ৰক্ৰিয়াটো তেওঁৰ দোষী সাব্যস্তকৰণেৰে নিশ্চিতভাৱে সমাপ্ত হ’ব নে নাই সেইটো পৰ্যবেক্ষণ কৰিব নালাগে।"

কান্তি ভদ্ৰা শ্বাহ আৰু অন্যান্য বনাম পশ্চিমবংগ চৰকাৰ [২০০০] ১ এছ চি চি ৭২২-ত পুনৰ প্ৰশ্নটো পৰীক্ষা কৰা হৈছিল। এইবুলি ৰায়দান  কৰা হৈছিল যে খালাচৰ নিৰ্দেশ জাৰি হোৱাৰ মুহূৰ্ততে কাৰণবোৰ লিপিবদ্ধ কৰাটো জৰুৰী। কিন্তু অভিযোগ বৰ্ণনৰ বাবে আদালতে এইবুলি এটা অভিমত প্ৰদান কৰিব লাগিব যে অভিযুক্তজনে অপৰাধটো কৰিছে বুলি অনুমান কৰাৰ বাবে ভিত্তি আছে। অভিযুক্তক খালাচ কৰাৰ ক্ষেত্ৰত আইনখনৰ ২২৭,২৩৯ আৰু ২৪৫  ধাৰাত "কাৰণ" পদটোৰ ব্যৱহাৰ অন্তৰ্ভুক্ত কৰা হৈছে। অভিযোগ বৰ্ণনৰ পৰ্যায়ত ব্যৱহাৰ কৰা পদটো হ’ল "অভিমত"। ইয়াৰ কাৰণ স্পষ্ট। যদি অভিযোগ বৰ্ণনৰ ক্ষেত্ৰত কাৰণ লিপিবদ্ধ কৰা হয়, তেন্তে বিচাৰৰ

সন্মুখীন হোৱা অভিযুক্তজনৰ গোচৰটোত পক্ষপাতিত্ব হোৱাৰ সম্ভাৱনা আছে। ইয়াত তলত উল্লেখ কৰা ধৰণে ৰায়দান কৰা হৈছিলঃ

"মন কৰিবলগীয়া প্ৰাসংগিক কথাতো এয়ে যে এই ধাৰাত এজন দণ্ডাধীশে অভিযুক্তক খালাচ দিয়াৰ কাৰণ লিপিবদ্ধ কৰাৰ প্ৰয়োজন আছে কিন্তু এনে কৰাৰ  কোনো প্ৰয়োজন নাই যদি তেওঁ এইবুলি অভিমত প্ৰকাশ কৰে যে অভিযুক্তজনে অপৰাধটো সংঘটিত কৰিছিল বুলি অনুমান কৰাৰ থল আছে আৰু তেওঁ সেইটো বিচাৰ কৰিবলৈ সক্ষম। এনে পৰিস্থিতিত তেওঁ অভিযুক্তজনৰ বিৰুদ্ধে কেৱল লিখিতভাৱে অভিযোগ বৰ্ণনা কৰিব লাগিব।
আনকি আৰক্ষীৰ প্ৰতিবেদনৰ বাহিৰে অন্য ধৰণে আৰম্ভ কৰা গোচৰবোৰতো দণ্ডাধীশে অভিযুক্তজনক খালাচ কৰিলেহে কাৰণ দেখুৱাই এক নিৰ্দেশ লিখিব লাগিব। ২৪৫ নং ধাৰাৰ পৰা এইটো স্পষ্ট। ২৪৫ নং ধাৰাৰ প্ৰথম উপধাৰা অনুসৰি, যদি এজন দণ্ডাধীশে সকলো সাক্ষ্য লোৱাৰ পিছত বিবেচনা কৰে যে অভিযুক্তজনৰ বিৰুদ্ধে এনে কোনো গোচৰ ৰুজু কৰা হোৱা নাই যিটো নিশ্চিত হোৱাৰ ক্ষেত্ৰত তেওঁ দোষী হ'ব, তেন্তে তেওঁ  অভিযুক্তজনক খালাচ কৰিব। উপধাৰা (২) অনুসৰি দণ্ডাধীশে অভিযোগটো ভিত্তিহীন বুলি বিবেচনা কৰিলে গোচৰটোৰ যিকোনো পূৰ্বৱৰ্তী পৰ্যায়ত তেওঁ অভিযুক্তজনক খালাচ দিব পাৰে । দুয়োটা উপধাৰাৰ অধীনত তেওঁ এনে কৰাৰ কাৰণ লিপিবদ্ধ কৰিবলৈ বাধ্য। এই সন্দৰ্ভত, এইটো উল্লেখ কৰাটো প্ৰয়োজনীয় যে আনকি দণ্ডসত্ৰ ন্যায়ালয়ত হোৱা বিচাৰত, ন্যায়াধীশজনে কেৱল তেতিয়াহে কাৰণ লিপিবদ্ধ কৰিব লাগিব যদিহে তেওঁ অভিযুক্তক খালাচ দিয়াৰ সিদ্ধান্ত লয় (আইনখনৰ ২২৭ নং ধাৰা চাওক)। কিন্তু যদি তেওঁ অভিযোগ বৰ্ণনা কৰিব বিচাৰে তেন্তে তেওঁ কিয় অভিযোগ বৰ্ণনা কৰিলে তাৰ কাৰণ লিপিবদ্ধ নকৰাকৈ এনে কৰিব পাৰে।"

কিন্তু য'ত অধিকাৰক্ষেত্ৰৰ প্ৰশ্ন উত্থাপন কৰা হয় আৰু বিচাৰ আদালতে সেই বিষয়টোৰ বিচাৰ নিৰ্ণয় কৰাটো প্ৰয়োজনীয় হয়, তাত  কাৰণসমূহ লিপিবদ্ধ কৰা নহ’ব বুলি ক’ব নোৱাৰি। এনে ক্ষেত্ৰত কাৰণবোৰ অধিকাৰক্ষেত্ৰৰ প্ৰশ্নৰ সৈতেহে

সম্পৰ্কিত, অভিযোগ বৰ্ণন সম্পৰ্কীয় বিষয়ৰ সৈতে সম্পৰ্কিত নহয়। এনে ক্ষেত্ৰত অধিকাৰক্ষেত্ৰ সম্পৰ্কীয় বিবৃতিৰ সৈতে মোকাবিলা কৰা কাৰণসমূহ লিপিবদ্ধ কৰিব লাগিব।

শেষত, এই আপীলসমূহৰ বিশ্লেষণ এয়ে যে সেইসমূহ যোগ্যতাবিহীন আৰু সেয়ে খাৰিজ কৰা হ'ল।

আপীল খাৰিজ কৰা হ'ল।

অনুবাদকঃ শ্ৰী প্ৰবীণ হাজৰিকা

পৰীক্ষণঃ দিতিমণি গগৈ

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।*